**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
-----------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ শ্ৰীনগৰত দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণসূচীৰে আজি দুপৰীয়া জম্মু কাশ্মীৰত উপস্থিত হ'ব।

২। দিল্লীৰ এখন আদালতে আজি সুৰা নীতি কেলেংকাৰি সন্দৰ্ভত অবৈধ ধনৰ সৰবৰাহ সংক্ৰান্তিয় এটা গোচৰত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে দাখিল কৰা জামিন আবেদনৰ নিৰ্দেশ সংৰক্ষিত ৰাখিছে।

৩। তামিলনাডুৰ কল্লাকুৰিচিত কালি বিষাক্ত সুৰাপান কৰাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৫লৈ বৃদ্ধি পাইছে।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতি দ্ৰৌপদী মুৰ্মুৰ জন্মদিন উপলক্ষে উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে শুভেচ্ছা জ্ঞাপন কৰিছে।

আৰু

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰত বাৰবাডোছত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ আজিৰ দ্বিতীয়খন খেলত আফগানিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুপৰীয়া দুদিনীয়া ভ্ৰমণসূচীৰে জম্মু কাশ্মীৰত উপস্থিত হ'ব। শ্ৰীমোদীয়ে কাইলৈ শ্ৰীনগৰত দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব আৰু যোগ দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা সভাক সম্বোধন কৰিব। তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণৰ পাছত শ্ৰীমোদীৰ এয়া কেন্দ্ৰীয়শাসিত অঞ্চলখনলৈ প্ৰথম ভ্ৰমণ। কাইলৈ শ্বেৰ-ই-কাশ্মীৰ আন্তঃৰাষ্ট্ৰীয় অভিৰৰ্তন চৌহদত আয়োজিত এই যোগাসনৰ কাৰ্যসূচীত প্ৰায় ৭ হাজাৰ লোকে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। জম্মু কাশ্মীৰৰ উপ ৰাজ্যপাল মনোজ সিনহাই দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ মূল কাৰ্যসূচী উদযাপনৰ বাবে শ্ৰীনগৰক বাছনি কৰাৰ বাবে প্ৰধানমন্ত্ৰীক কৃতজ্ঞতা জনায়। তেওঁ লগতে কাইলৈ অনুষ্ঠিত হ'বলগীয়া যোগাসনৰ কাৰ্যসূচীত ব্যাপকভাৱে মহিলা আৰু কন্যাসকলে অংশগ্ৰহণ কৰা কাৰ্যতো আনন্দ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে আজি সন্ধিয়া এহেজাৰ ৫শ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ৮৪ টা গুৰুত্বপূৰ্ণ উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে আজি শ্ৰীনগৰত আয়োজিত যুৱ প্ৰজন্মৰ সৱলিকৰণ, জম্মু-কাশ্মীৰৰ পৰিৱৰ্তন শীৰ্ষক এটা অনুষ্ঠানত অংশ গ্ৰহণ কৰিব। তেওঁ দুহেজাৰৰো অধিক প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰাৰ লগতে এহেজাৰ ৮শ কোটি টকা ব্যয় সাপেক্ষে ৰূপায়ণ কৰিবলগীয়া কৃষি আৰু আনুষংগিক ক্ষেত্ৰত প্ৰতিযোগিতাত উন্নয়ন ব্যৱস্থা মুকলি কৰিব।

০০০০০০০০

দিল্লীৰ এখন আদালতে আজি সুৰা নীতি কেলেংকাৰি সন্দৰ্ভত অবৈধ ধনৰ সৰবৰাহ সংক্ৰান্তিয় এটা গোচৰত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে দাখিল কৰা জামিন আবেদনৰ নিৰ্দেশ সংৰক্ষিত ৰাখিছে। আদালতে লগতে কেজৰিৱালক চিকিৎসা পৰিষদে পৰীক্ষা নিৰীক্ষা কৰি থকাৰ পৰিপ্ৰেক্ষিতত, তেওঁৰ পত্নীক ভাৰ্চুৱেল মাধ্যমেৰে বিচাৰ প্ৰক্ৰিয়াত ভাগ লোৱাৰ বাবে শ্ৰীকেজৰিৱালে জনোৱা আবেদনৰ ওপৰত দিয়া নিৰ্দেশো সংৰক্ষিত ৰাখে। উল্লেখযোগ্য যে যোৱা ২১ মাৰ্চত বিধি বলবৎকাৰী সঞ্চালকালয়ে কেজৰিৱালক গ্ৰেপ্তাৰ কৰিছিল। সাধাৰণ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত মে'ত উচ্চতম ন্যায়ালয়ে ১ জুন পৰ্যন্ত কেজৰিৱালক অন্তৰৰ্তীকালীন জামিন মঞ্জুৰ কৰিছিল। ইয়াৰ পাছৰ দিনা ২ জুনত তেওঁ পুনৰ আত্মসমৰ্পণ কৰিছিল।

০০০০০০০

তামিলনাডুৰ কল্লাকুৰিচিত কালি বিষাক্ত সুৰাপান কৰাৰ ফলত ৩৫ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু অন্য ১০০ জনৰো অধিক লোক অসুস্থ হৈ পৰিছে। অসুস্থ লোকসকলক পুডুচেৰীৰ কল্লাকুৰিচি, ছালেম আৰু জিপমেৰ বিভিন্ন চৰকাৰী চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। কল্লাকুৰিচিৰ জিলাধিপতিক ইতিমধ্যে বদলি কৰাৰ উপৰি উপ আৰক্ষী অধীক্ষককে ধৰি আন ১০ গৰাকী বিষয়াক নিলম্বন কৰা হৈছে। বেআইনীভাৱে সুৰা সৰবৰাহকাৰীজনক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে আৰু ২০০ লিটাৰ সুৰা জব্দ কৰি পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে। বিষাক্ত সুৰাপায়ী অধিকাংশ লোক মূৰ ঘূৰোৱা, পেটৰ বিষ আৰু চকু জ্বলা-পোৰা কৰাৰ সমস্যাত ভূগিছে। ৰাজ্যখনৰ স্বাস্থ্য মন্ত্ৰী এম সুব্ৰমন্যমে অসুস্থ লোকসকলৰ স্বাস্থ্যৰ বুজ লোৱাৰ বাবে চিকিৎসালয়ত উপস্থিত হয়। কালি নিশা সংবাদমাধ্যমৰ আগত দিয়া ব্যক্তবত তেওঁ কয় যে, সুৰাত থকা মেথানলৰ পৰিমাণ অত্যাধিক হোৱাৰ বাবে লোককেইজনৰ মৃত্যু হয়। এই ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ নিৰ্দেশ দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে কয় যে, এনেধৰণৰ অপৰাধমূলক কাৰ্যত জড়িত সকলৰ বিৰুদ্ধে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব।

০০০০০০০

তামিলনাডু চৰকাৰে বিষাক্ত সুৰাপান কৰি মৃত্যু হোৱা লোকসকলৰ পৰিয়াললৈ ১০ লাখ আৰু বিভিন্ন চৰকাৰী হাস্পতালত চিকিৎসা গ্ৰহণ কৰি থকা সকলৰ বাবে ৫০ হাজাৰ টকাকৈ এককালীন সাহায্যৰ কথা ঘোষণা কৰিছে। এই দুৰ্ঘটনাত প্ৰাণ হেৰুৱা লোকসকলৰ প্ৰতি গভীৰ সমবেদনা আৰু দুখ প্ৰকাশ কৰি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে কয় যে, চৰকাৰে দোষী তথা অবৈধ সুৰাৰ বেপাৰ কৰা লোকসকলক কঠোৰ শাস্তি প্ৰদান কৰিব। জ্যেষ্ঠ মন্ত্ৰী আৰু উচ্চ পদস্থ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হোৱাৰ পাছত শ্ৰীষ্টেলিনে কয় যে, সকলো অনিয়মৰ ঘটনা পৰ্যবেক্ষণ এখন তদন্ত আয়োগ গঠন কৰা হৈছে। ইপিনে আক্ৰান্তসকলক উপযুক্ত চিকিৎসা সেৱা প্ৰদানৰ উদ্দেশ্যে সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় বন, পৰিবেশ আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দৰ যাদৱে আজি সূৰজকুণ্ড এলেকাত **এক পেড় মা কে নাম** শীৰ্ষক কাৰ্যসূচীৰ অধীনত মন্ত্ৰালয়ৰ বিষয়া-কৰ্মচাৰীসকলৰ সৈতে গছপুলি ৰোপণৰ এটা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই উপলক্ষে আয়োজিত এখন প্ৰদৰ্শনীও তেওঁ পৰিদৰ্শন কৰে। অনুষ্ঠানত ভাষণ দি দিল্লীৰ উপ ৰাজ্যপাল বিনয় কুমাৰ ছাক্সেনাই কয় যে, দিল্লীৰ তাপমাত্ৰা সৰ্বাধিক ৫২ ডিগ্ৰী চেলচিয়াছ পৰ্যন্ত

ঊৰ্ধগামী হৈছে আৰু পানীৰ স্তৰ প্ৰতিদিনে নিম্নগামী হৈছে। এই বিষয়টোৱে আমাক সকলোকে চিন্তিত কৰা উচিত। শ্ৰীছাক্সেনাই সকলোকে এই অভিযানৰ অংশ হোৱাৰ লগতে এটিকৈ গছপুলি ৰোপণ কৰিবলৈও আহ্বান জনায়।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতি দ্ৰৌপদী মুৰ্মুৰ জন্মদিন উপলক্ষে আজি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু তেওঁ পত্নী ড০ সুৰেশ ধনখড়ে ৰাষ্ট্ৰপতি শ্ৰীমতি মুৰ্মুক সাক্ষাৎ কৰি জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাজহুৱা জীৱনত ৰাষ্ট্ৰপতিগৰাকীৰ সমৃদ্ধ অৱদানৰ কথা স্মৰণ কৰাৰ লগতে শ্ৰীমতী মুৰ্মুৰ সুখ আৰু সুস্বাস্থ্যৰে সমৃদ্ধ দীৰ্ঘ জীৱনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও ৰাষ্ট্ৰপতি শ্ৰীমতি দ্ৰৌপদী মুৰ্মুক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰী মোদীয়ে ৰাষ্ট্ৰপতিগৰাকীৰ সেৱা আৰু ৰাষ্ট্ৰৰ প্ৰতি কৰা সমৰ্পণে সকলোকে অনুপ্ৰাণিত কৰে বুলি প্ৰকাশ কৰিছে। দৰিদ্ৰ তথা পিছপৰা লোকসকলৰ সেৱা কৰাৰ ওপৰত গুৰুত্ব দিয়াৰ বাবে ৰাষ্ট্ৰপতি মুৰ্মু এক শক্তিশালী পথ প্ৰদৰ্শক বুলি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰিছে। তেওঁ লগতে কয় যে, ৰাষ্ট্ৰপতি মুৰ্মুৰ জীৱন যাত্ৰাই কোটি কোটি লোকক আশাৰ পোহৰ দেখুৱাইছে। শ্ৰীমতী মুৰ্মুৰ অক্লান্ত সেৱা, দূৰদৰ্শী নেতৃত্বৰ বাবে ভাৰত সদায় তেওঁৰ ওচৰত কৃতজ্ঞ হৈ থাকিব বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে পোষ্টটোত কয়।

ইফালে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে জন্মদিন উপলক্ষে নতুন দিল্লীৰ জগন্নাথ মন্দিৰ দৰ্শন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত ৰাষ্ট্ৰপতিগৰাকীয়ে দেশবাসীৰ কল্যাণ তথা দেশে প্ৰগতিৰ নতুন আৰ্হি স্থাপন অব্যাহত ৰখাৰ বাবে মন্দিৰত প্ৰাৰ্থনা কৰা বুলি প্ৰকাশ কৰে।

০০০০০০০

চেন্নাইত আজি তামিলনাডু বিধানসভাৰ অধিৱেশন আৰম্ভ হৈছে। বিধানসভাৰ বৰ্তমানৰ বিধায়ক পুগাঝেন্তি আৰু ইতিপূৰ্বে প্ৰয়াত বিধায়কসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ পাছত দিনটোৰ বাবে অধিৱেশন স্থগিত ৰখা হয়। বিধানসভাৰ অধ্যক্ষ আপ্পাভুৱে শোকবাৰ্তা পাঠ কৰাৰ পাছত বিধানসভাৰ সদস্যসকলে থিয় হৈ মৌনতা অৱলম্বন কৰি প্ৰয়াত সদস্যসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কাইলৈ পুৱা ১০ বজাত সদন পুনৰ মিলিত হ'ব আৰু এই মাহৰ ২৯ তাৰিখলৈ অধিৱেশন চলিব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হ'বলগীয়া প্ৰথম খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

0000000

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ছেইণ্ট লুছিয়াত অনুষ্ঠিত এখন খেলত ইংলেণ্ডে ৱেষ্ট ইণ্ডিজক ৮ উইকেটত পৰাস্ত কৰে। টছত জিকি ইংলেণ্ডে ৱেষ্ট ইণ্ডিজক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়। ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেটৰ বিনিময়ত ১৮০ ৰান সংগ্ৰহ কৰে। ইংলেণ্ডৰ ফিল ছল্টক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইপিনে ভাৰত বাৰবাডোছত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ আজিৰ দ্বিতীয়খন খেলত আফগানিস্তানৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

আনহাতে দক্ষিণ আফ্ৰিকাই যোৱা নিশা এণ্টিগুৱাৰ ছাৰ ভিভিয়ান ৰিচাৰ্ডছ ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইট পৰ্যায়ৰ প্ৰথমখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰক ১৮ ৰাণত পৰাস্ত কৰে। আমেৰিকাই ১৯৫ ৰাণৰ বিজয় লক্ষ্যৰে খেলি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৭৬ ৰাণহে কৰিবলৈ সমৰ্থ হয়। আমেৰিকাৰ হৈ এণ্ড্ৰিজ গ'ছে ৮০ ৰাণ কৰি অপৰাজিত হৈ ৰয়। হৰমিত সিঙে ৩৮ ৰাণৰ বৰঙণি আগবঢ়ায়। দক্ষিণ আফ্ৰিকাৰ কাগিছো ৰাবাডাই তিনিটা উইকেট দখল কৰাৰ বিপৰীতে কেশৱ মহাৰাজ, এনৰিক নাৰ্খিয়া আৰু টবৰেজ ছামছিয়ে এটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত চাৰি উইকেটৰ বিনিময়ত ১৯৪ ৰাণ কৰে। দক্ষিণ আফ্ৰিকাৰ হৈ কুইণ্টন ডি ককে ৭৪ ৰাণ আৰু এডেন মাৰ্কৰমে ৪৬ ৰাণৰ বৰঙণি আগবঢ়ায়। কুইণ্টন ডি ককক প্লেয়াৰ অব দ্য মেচ ঘোষণা কৰা হয়।

0000000

সমাপ্ত